# বৰ্ষাৰণ্য/অসমৰ বৰ্ষাৰণ্য

■ গৌতম শৰ্মা

ক্ৰান্তীয় তথা ট্ৰপিকেল অৰণ্যসমূহ হৈছে সমগ্ৰ পৃথিৱীৰে হৃদপিণ্ডস্বৰূপ। যিবোৰক সাধাৰণতে বৰ্ষাৰণ্য হিচাপে জনা যায়। এই বৰ্ষাৰণ্য শব্দটো ১৯১৮ চনত জাৰ্মানীৰ এজন উদ্ভিদ বিজ্ঞানীয়ে পোনপ্ৰথমে ব্যৱহাৰ কৰিছিল। বৰ্ষাৰণ্য হৈছে সেইবোৰ অৰণ্য, য'ত অনবৰতে এক সেমেকা বাতাবৰণ বিৰাজ কৰে, যিবোৰ অৰণ্যত বছৰটোৰ সকলো সময়তে মাত্ৰাধিক বৰষুণ হয়। বৰ্ষাৰণ্যবোৰ হৈছে জৈৱ বৈচিত্ৰ্যতাৰ অফুৰন্ত ভঁৰাল। ১৮০ ৰ পৰা ২২০ ফুট উচ্চতাৰ গছ ইয়াত দেখিবলৈ পোৱা যায়। বৰষুণৰ পৰিমাণ অধিক হোৱা বাবে এনে অৰণ্যবোৰত বৰষুণৰ পানী বাষ্পীকৰণ হৈ পুনৰ অৰণ্যভূমিক আবৃত কৰি ৰাখে। সেয়েহে বৰ্ষাৰণ্যত আদ্ৰতাৰ পৰিমাণ বেছি। ইয়াত বছৰি ২৩০ দিন পৰ্যন্ত বৰষুণ হয়, ইয়াৰ সৰ্বোচ্চ পৰিমাণ ৩৫০° আৰু সৰ্বনিম্ন ১০° ছেলছিয়াছ।

সাধাৰণতে বৰ্ষাৰণ্যসমূহত থকা বিশেষ চাৰিটা স্তৰৰ উদ্ভিদসমূহে ইয়াক আন অৰণ্যসমূহৰ পৰা পৃথক কৰি গঢ়ি তুলিছে। এই চাৰিটা স্তৰ হৈছে ক্ৰমে, শীৰ্ষ স্তৰ বা 'Emergent Layer' ; এই স্তৰত ৩৫ ৰ পৰা ৪৫ মিটাৰ মানলৈকে ওখ গছবোৰ পোৱা যায়। এই স্তৰৰ গছবোৰৰ পাতবোৰ সৰু সৰু, যিবোৰ দেখাত মেলি থোৱা ছাতিৰ দৰে। দ্বিতীয় স্তৰটো হৈছে মধ্যস্তৰ বা 'Canopy Layer' ; এই স্তৰৰ গছবোৰ প্ৰায় সমান উচ্চতাৰ, জোপোহা, গছৰ মূৰবোৰ সাধাৰণতে চেপেটা আৰু প্ৰায় ২০ ৰ পৰা ৩০ ফুট পৰ্যন্ত গছবোৰ ওখ হয়। বৰ্ষাৰণ্যৰ তৃতীয় স্তৰটোক নিম্নস্তৰ বা 'Understory Layer' বুলি জনা যায়। ৫ ৰ পৰা ৭ মিটাৰ ওখ গছবোৰ এই স্তৰত দেখিবলৈ পোৱা যায়। এই স্তৰৰো সৰহসংখ্যক উদ্ভিদৰে মূৰবোৰ দীঘলীয়া হয়। এই স্তৰটো বিভিন্ন প্ৰজাতিৰ চৰাই, সৰীসৃপ, সাপ, পোক-পতংগ আদিৰ আবাসথলী। একোখন বৰ্ষাৰণ্যৰ একেবাৰে শেষৰ স্তৰটো হৈছে ভূমিসংলগ্ন স্তৰ বা 'Herb Layer' ; ইয়াত গুল্মজাতীয় উদ্ভিদ, ঢেকীয়াজাতীয় উদ্ভিদ, পৰাশ্ৰয়ী, স্থলজ, বা কপৌজাতীয় উদ্ভিদ, সৰু বনজাতীয় উদ্ভিদ, ভিন্ন প্ৰজাতিৰ কচু, বেত, বনৰীয়া কলগছ আদি পোৱা যায়। এই স্তৰটোত আদ্ৰতা আৰু উষ্ণতাৰ সঘন তাৰতম্য ঘটি থাকে।

জৈৱ-বৈচিত্ৰ্যতাৰ ভঁৰাল হিচাপে বৰ্ষাৰণ্যসমূহৰ গুৰুত্বতা যথেষ্ট বেছি। বহু গুৰুত্বপূৰ্ণ উদ্ভিদ আৰু প্ৰাণী এই অৰণ্যসমূহে জীয়াই ৰাখিছে। বিষাক্ত কাৰ্বন-ডাই-অক্সাইড গেছ শোষণৰ এক উল্লেখযোগ্য থলী হৈছে বৰ্ষাৰণ্যসমূহ। গোলকীয় উষ্ণতা তথা 'Global Warming' নিয়ন্ত্ৰণতো এই অৰণ্যবোৰে বিশেষ ভূমিকা পালন কৰি আহিছে। অন্যহাতেদি সৰ্বসাধাৰণ ৰাইজৰ অৰ্থনৈতিক দিশটো এই অৰণ্যসমূহে প্ৰভূত প্ৰভাৱ বিস্তাৰ কৰি আহিছে। এক পৰীক্ষামতে, সমগ্ৰ বিশ্বত প্ৰায় ৫০ কোটি মানুহ প্ৰত্যক্ষ বা পৰোক্ষভাৱে বৰ্ষাৰণ্যসমূহৰ ওপৰত নিৰ্ভৰ কৰি আহিছে।

বিশ্বৰ সৰ্ববৃহৎ বৰ্ষাৰণ্য খনি হৈছে দক্ষিণ আমেৰিকাৰ আমাজান নদীৰ অৱবাহিকা অঞ্চলত অৱস্থিত আমাজান বৰ্ষাৰণ্য। আমাৰ দেশ ভাৰতবৰ্ষতো এনে বহু বৰ্ষাৰণ দেখিবলৈ পোৱা যায়। ভাৰতৰ আন্দামান নিকোবৰ দ্বীপপুঞ্জ, পশ্চিমঘাত অঞ্চল, আৰৱ সাগৰৰ দাঁতি-কাষৰীয়া অঞ্চলসমূহ, ভাৰত মহাসাগৰৰ উপদ্বীপসমূহ, উত্তৰ-পূৰ্বাঞ্চলৰ বিশেষকৈ অসমত আৰু উৰিষ্যাৰ কিছু কিছু অঞ্চলত এনে বৰ্ষাৰণ্যসমূহ দেখিবলৈ পোৱা যায়। ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলত বিশেষকৈ অসমৰ অৰণ্যভূমিত দেখিবলৈ পোৱা কেতবোৰ বৈশিষ্ট্যই অসমৰ মাটিত ক্ৰান্তীয় বৰ্ষাৰণ্যৰ উপস্থিতি তথা অস্তিত্বৰ সম্ভেদ দিয়ে। উজনি অসমৰ ডিব্ৰুগড় জিলাত অৱস্থিত জয়পুৰ আৰু দিহিং অৰ্থাৎ জয়দিহিং সংৰক্ষিত বনাঞ্চল, তিনিচুকীয়া জিলাৰ দিৰাক সংৰক্ষিত বনাঞ্চল আৰু ধেমাজি জিলাৰ জোনাইত অৱস্থিত পবা সংৰক্ষিত বনাঞ্চল কেইখনি হৈছে অসমৰ উল্লেখযোগ্য বৰ্ষাৰণ্য। উজনি অসমৰ ডিব্ৰুগড়, তিনিচুকীয়া আৰু ধেমাজি জিলাত অৱস্থিত এই অৰণ্য কেইখনিৰ ভূমিকা অতি মনকৰিবলগীয়া। এইখিনিতে আমি অসমৰ মাটিত উপলব্ধ এই বৰ্ষাৰণ্যসমূহৰ ওপৰত কিছু আলোকপাত কৰিব বিচাৰিছোঁ। এইক্ষেত্ৰত বিশেষকৈ আমি উজনি অসমৰ ডিব্ৰুগড় জিলাত অৱস্থিত জয়দিহিং আৰু ধেমাজি জিলাৰ জোনাইত অৱস্থিত পবা বৰ্ষাৰণ্যৰ বিষয়ে কিছু কথা উল্লেখ কৰিব খুজিছোঁ।

অফুৰন্ত প্ৰাকৃতিক সম্পদ আৰু জৈৱবৈচিত্ৰ্যতাৰ বাৰেৰহনীয়া সংস্কৃতিৰ উজ্বল অনুপম নিৰ্দেশনেৰে সমৃদ্ধ জয়দিহিং বৰ্ষাৰণ্যখনি। অসমৰ প্ৰথম আৰু বিখ্যাত বৰ্ষাৰণ্য হিচাপে খ্যাত উজনি অসমৰ ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ কিছু কিছু অঞ্চল সামৰি বুঢ়ীদিহিং নদীৰ দুয়োপাৰে বিস্তৃত এই অৰণ্যখনৰ মুঠ মাটিকালি হৈছে প্ৰায় ৪০০ বৰ্গকিলোমিটাৰ। দক্ষিণ-পূব দিশত অৰুণাচল প্ৰদেশৰ সৈতে সংলগ্ন হৈ থকা অৰণ্যখনৰ পূবত মাৰ্ঘেৰিটা, পশ্চিমে জয়পুৰ আৰু নাহৰকটীয়া, উত্তৰ-পূবে ডিগবৈ আৰু দক্ষিণে নামৰূপ নগৰখন অৱস্থিত। প্ৰকৃততে এই অৰণ্যখন জয়পুৰ, আপাৰ দিহিং আৰু ডিৰাক সংৰক্ষিত বনাঞ্চলৰ বৃহৎ অংশবিশেষ লৈ গঠিত হৈছে। ভাৰতবৰ্ষৰ পৰিবেশ সংৰক্ষণ আৰু সুৰক্ষা প্ৰদানকাৰী এটি অতি উল্লেখযোগ্য গোষ্ঠী "নেচাৰ্চ্ বেকন"ৰ উদ্যোগত ২০০১ চনৰ অক্টোবৰ মাহৰ প্ৰথমটো সপ্তাহৰপৰা "বৰ্ষাৰণ্য সমাৰোহ" আৰম্ভ কৰা জয়দিহিং বৰ্ষাৰণ্যখন জৈৱবৈচিত্ৰ্যতাৰ অনুপম ভঁৰাল হিচাপে চিহ্নিত হৈ

আহিছে। পৰিবেশ সুৰক্ষাৰ লগতে পৰ্যটনৰ এক সম্ভাৱনাময় ক্ষেত্ৰৰূপে জনাজাত জয়দিহিং বৰ্ষাৰণ্যখন বহুতো প্ৰাকৃতিক সম্পদৰে অত্যন্ত চহকী। এছিয়া মহাদেশৰ ভিতৰতেই পাঁচটা বিশেষ প্ৰজাতিৰ ধনেশ পক্ষীৰ বাবে বিশেষভাবে বিখ্যাত এই অৰণ্যখনত অন্যান্য বহু ভিন্ন প্ৰজাতিৰ চৰাই ইয়াত পোৱা যায়। এইসমূহৰ ভিতৰত ধনেশ, দেওহাঁহ, দেওডৰিক, ভিন্ন প্ৰজাতিৰ বৰটোকোলা, হুদু, ফেঁচা, ডাউক, হয়কলি, কামচৰাই, কণামুচৰি, ধৃতৰাজ, মাছৰোকা, ভিন্ন প্ৰজাতিৰ বগলী, পানী কাউৰী, ৰাজশগুণ, শামুক ভঙা, মুগা ৰাজহাঁহ, চিলাহাঁহ, নেজাল হাঁহ, ঘিলাহাঁহ, চাকৈচকোৱা আদি। ভাৰতৰ ভিতৰতেই অৰণ্যখন কাঠনিৰ চৰাইৰ বাবে অতিকৈ বিখ্যাত।

বন্যপ্ৰাণীৰ আৱাসথলী হিচাপে এই অৰণ্যখন ৪২ টাৰো অধিক প্ৰজাতিৰ স্তন্যপায়ী প্ৰাণী, ৪০ টাৰো অধিক প্ৰজাতিৰ উভচৰ আৰু সৰীসৃপৰ লগতে বিভিন্ন কীট-পতংগ ইত্যাদিবোৰো ইয়াত পোৱা যায়। ৩০ টা প্ৰজাতিৰ পখিলাৰে সমৃদ্ধ এই অৰণ্যখনত পোৱা কেতবোৰ উল্লেখযোগ্য বন্যপ্ৰাণী হৈছে- নাহৰফুটুকী, গোধাফুটুকী, লতা মেকুৰী, হিমালয়ৰ ভালুক, ৰাংকুকুৰ, শৰ, বনগৰু, বনৰৌ, বনৰীয়া ম'হ, হাতী, উৰণীয়া কেৰ্কেটুৱা, কেটেলা পহু, জহামাল আদি। সাতটা প্ৰজাতিৰ বান্দৰ যেনে- হলৌ, লাজুকী, মলুৱা, অসমীয়া, টুপী মুৰীয়া, খৰানেজীয়া, গাহৰিনেজীয়া আদিবোৰো ইয়াত পোৱা যায়। বনমানুহ 'এপ' তথা হলৌ বান্দৰৰ আদৰ্শ বাসস্থান হিচাপে এই অৰণ্যখনিৰ এক বিশেষত্ব আছে। উদ্ভিদ প্ৰজাতিৰ ক্ষেত্ৰখনতো এই বনভূমিখন যথেষ্ট চহকী। বৰ্ষাৰণ্য হিচাপে এখন অৰণ্যত পোৱা আটাইকেইটা স্তৰৰ উদ্ভিদকেই ইয়াত পোৱা যায়। বিভিন্ন ঔষধি, ফল-মূল, অৰ্কিড আৰু লতাজাতীয় গছবোৰৰ লগতে হোলোং, তিতাচপা, মেকাই, নাহৰ, ধূনা, চাম, বৰপাত, বান্দৰডিমা, শিঙৰি, ৰুদ্ৰাক্ষ, কৌপাত, চোম, উৰিয়াম, চেগুণ, চিচু, বনৰীয়া কল, খেকেৰা, শাল, শিলিখা, চিৰিজ, বিভিন্ন ঢেকীয়া জাতীয় উদ্ভিদবোৰে অৰণ্যখনৰ নৈসৰ্গিক পৰিবেশটোক শোভাবৰ্ধন কৰি অহাৰ লগতে প্ৰাকৃতিকভাৱেও অৰণ্যখনক যথেষ্ট সমৃদ্ধিশালী কৰি গঢ়ি তুলিছে।

পূৰ্বে উল্লেখ কৰি অহা হৈছে যে নেচাৰ্চ বেকনৰ দ্বাৰা ২০০১ চনৰ পৰা ইয়াত আৰম্ভ হোৱা বৰ্ষাৰণ্য সমাৰোহ শীৰ্ষক বিশেষ অনুষ্ঠানটোৱে কেতবোৰ নতুন নতুন সম্ভাৱনা অৰণ্যখনৰ বুকুলৈ কঢ়িয়াই আনিছে। এই বিশেষ সমাৰোহত প্ৰকৃতি প্ৰেমীসকলৰ লগতে সাহিত্যিক, সাংবাদিক, উদ্ভিদ আৰু পৰিবেশ বিজ্ঞানীসকলৰ লগতে দেশী-বিদেশী পৰ্যটকসকলৰ সক্ৰিয় অংশগ্ৰহণে এই অৰণ্যখনৰ উচিত প্ৰচাৰ তথা জনপ্ৰিয় কৰাৰ বাটসমূহ সুগম কৰি আহিছে। থাইলেণ্ড, কানাডা, ইণ্ডোনেছিয়া আদি দেশৰ প্ৰতিনিধি তথা পৰ্যটকসকলৰ এই সমাৰোহত অংশগ্ৰহণৰ জৰিয়তে বহুখিনি ইতিবাচক বাতৰি আমালৈ কঢ়িয়াই আনিছে। বৰ্ষাৰণ্য সমাৰোহৰ সৈতে সামঞ্জস্য ৰাখি বুঢ়ীদিহিঙৰ পাৰত আয়োজন কৰি অহা বিভিন্ন পৰিবেশ-প্ৰকৃতি সুৰক্ষা আৰু সজাগতা সম্পৰ্কীয় কৰ্মশালা, আলোচনা চক্ৰবোৰৰ লগতে স্থানীয় জাতি জনগোষ্ঠীসমূহৰ বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান প্ৰদৰ্শন, অভয়াৰণ্যৰ ট্ৰেকিং, শৈলাৰোহণ, পক্ষী নিৰীক্ষণ আদি সু ব্যৱস্থাসমূহ এইক্ষেত্ৰত বিশেষভাবে উল্লেখযোগ্য। এই অৰণ্যখনৰ সৈতে বহিঃজগতৰ সুসম্পৰ্ক ৰক্ষা কৰিব পৰা যথেষ্টখিনি সুবিধা আছে। ৰে'লৰে আৰু বিমান পৰিবহনৰ ক্ষেত্ৰত অত্যন্ত আগবঢ়া ডিব্ৰুগড় জিলাখনৰ মোহনবাৰী বিমানবন্দৰ আৰু দুলিয়াজান, নাহৰকটীয়া, নামৰূপ আদি ৰেইল ষ্টেচনসমূহৰ সৈতে থকা সুচল যোগাযোগ ব্যৱস্থা আদিসমূহে আগন্তুক সময়ত এই জয়দিহিং বৰ্ষাৰণ্যখনক পৰ্যটনৰ এক প্ৰচুৰ সম্ভাৱনাময় ক্ষেত্ৰৰূপে উজ্বলাই তুলি মানুহৰ সৈতে থকা পৰিবেশ আৰু প্ৰকৃতিৰ ঐতিহাসিক ভাৰসাম্যতাক সদায় অটুট ৰাখিবলৈ সক্ষম হ'ব বুলি আমাৰ দৃঢ়বিশ্বাস।

অন্যহাতেদি, শেহতীয়াকৈ চৰকাৰীভাবে সংৰক্ষিত বনাঞ্চলৰ পৰা অভয়াৰণ্যৰ শাৰীলৈ উন্নীতকৰণৰ চিন্তা-চৰ্চা অব্যাহত থকা উজনি অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাত অৱস্থিত জৈৱ বৈচিত্ৰ্যতাৰ অনুপম নিদৰ্শন পবা হৈছে ধেমাজি জিলাৰ একমাত্ৰ জীৱিত অৰণ্য। ২০,২২১ হেক্টৰ বনভূমিৰে আবৃত্ত পবা অৰণ্যখনৰ উত্তৰে অৰুণাচল প্ৰদেশ, পূব আৰু দক্ষিণ দিশত চিয়াং, দিবং, লোহিত নদীকে আদি কৰি কবুচাপৰি আৰু ডিব্ৰু ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানখনি আৰু পশ্চিমে ধেমাজি জিলাৰ জোনাই মহকুমা অৱস্থিত। অৰুণাচলৰ দি ইৰিং, লক্ষী ৰিজাৰ্ভ আৰু ৰুকচিন মহকুমাৰ অন্তৰ্গত সংৰক্ষিত বনাঞ্চলসমূহে পবাক সদায় সুন্দৰ আৰু সু-সংগঠিত কৰি ৰাখিছে। অৰণ্যখনিৰ ইতিহাসলৈ মন কৰিলে আমি পাওঁ যে ব্ৰিটিছ ঔপনিবেশিক কালতেই ১৯২৪ চনত এই অৰণ্যখনক এখন সংৰক্ষিত বনাঞ্চল হিচাপে ঘোষণা কৰা হৈছিল। অন্যহাতেদি, প্ৰকৃতিগত দিশৰ পৰা পবা হৈছে এখনি উৎকৃষ্ট বৰ্ষাৰণ্য। শেহতীয়া এক সমীক্ষাত পবাত বৰ্তমানলৈকে ২১৮ প্ৰজাতিৰ বনচৰাই, ২১ প্ৰজাতিৰ স্তন্যপায়ী প্ৰাণী, ২৬০ প্ৰজাতিৰ বৃক্ষ আৰু অলেখ পখিলাৰ সন্ধেদ পোৱা গৈছে। পবা বনভূমিত নদী কাষৰীয়া অৰণ্যৰ বিশেষ বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। কিয়নো পবাৰ কাষেদিয়েই বৈ যোৱা খৰস্ৰোতা চিয়াং খনে অৰণ্যখনক অনন্য সুন্দৰ কৰি ইয়াৰ নৈসৰ্গিকতাক যথেষ্ট চহকী কৰি গঢ়ি তুলিছে। পবাৰ নিচেই কাষতে পূবদিশত থকা কবুচাপৰিটো হৈছে ব্ৰহ্মপুত্ৰই সৃষ্টি কৰা ইয়াৰ দ্বিতীয় বৃহৎ নদীদ্বীপ। ১৯৭৭-৭৮

চনত এই দ্বীপটো বনৰীয়া মহৰ আবাসস্থল আছিল। বৰ্তমানেও এই কবুচাপৰিটো জৈৱ বৈচিত্ৰ্যতা সংৰক্ষণৰ এক অনুপম নিদৰ্শন হিচাপে চিহ্নিত হৈ আছে। কবুচাপৰিৰ পূবলৈ থকা ডিব্ৰু ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানেখনেও যেন পবাক মোৰেই মানসপুত্ৰ বুলি তাহানিৰে পৰা কৈ আহিছে। পবাৰ উত্তৰ পাৰত থকা প্ৰকৃতি ৰাণী অৰুণাচল প্ৰদেশৰ অখণ্ড বনভূমিসমূহে, কবুচাপৰিয়ে, ডিব্ৰু ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানে আৰু পবাই মিলি যেন এই বৃহত্তৰ অঞ্চলটোক এখন প্ৰকৃতি ৰাজ্য ৰূপে গঢ়ি তুলিছে। পবাক কেন্দ্ৰ কৰি এই অৰণ্য কেইখনে সমকোণী অৱস্থান গ্ৰহণ কৰিছে। এইখিনিতে আটাইতকৈ উল্লেখযোগ্য কথাটো হ'ল যে বন্যপ্ৰাণীসমূহে পবা আৰু কবুচাপৰিক সদায় কৰিড'ৰ হিচাপে ব্যৱহাৰ কৰি আহিছে। বিশেষকৈ বন্যপ্ৰাণীসমূহে কবুচাপৰিক প্ৰধান কৰিড'ৰ হিচাপে লৈ অৰুণাচলৰ বনভূমিসমূহৰ পৰা পবালৈকে এই অখণ্ড বনভূমিত মুক্তমনে সদায় বিচৰণ কৰি আহিছে।

জৈৱ বৈচিত্ৰ্যতাৰ দিশৰপৰা পবাখন অত্যন্ত চহকী। বিশেষকৈ নল গাহৰিৰ বাবে জনাজাত এই অৰণ্যখনি অন্যান্য বহু বন্য জীৱ-জন্তুৰ আদৰ্শ বাসস্থান। পবাত পোৱা কেতবোৰ গুৰুত্বপূৰ্ণ বন্যপ্ৰাণী হৈছে- লাজুকী বান্দৰ, মলুৱা বান্দৰ, অসমীয়া বান্দৰ, বনৰৌ, শিয়াল, গেন্দেৰা, নেউল, জহামাল, বনবোন্দা, নাহৰফুটুকী বাঘ, হাতী, লতামেকুৰী, বনগৰু, কেটেলা পহু, ডাঙৰ কেৰ্কেটুৱা, শৰ পহু, হৰিণা, শহা পহু আদি। অন্যহাতেদি, উত্তৰ-পূবৰ প্ৰকৃতিপ্ৰেমী সংগঠন নেচাৰ্চ বেকন'ৰ লগতে অন্যান্য প্ৰকৃতিপ্ৰেমী সংগঠন আৰু ব্যক্তিসকলৰ সমীক্ষা আৰু চিনাক্তকৰণে উল্লেখ কৰা তথ্য মতে পবাত উপলব্ধ হোৱা কেতবোৰ বৃক্ষ প্ৰজাতি হৈছে- গহৰা, গমাৰি, ঘোঁৰানিম, চোম, চেৰা, চতিয়না, চেগুণ, ৰঙা চন্দন, জৰি, জামু, ডিমৰু, তিতাচপা, থেকেৰা, নাহৰ, পমা, পুৰুজা, বগৰী, বহঁত, বট, বকুল, বোৱাল, বনচোম, বেল, ভেলৌ, ভোমোৰা, মেকাই, মহুৱা, মজ, মদাৰ, শিঙৰি, শাল, শিমলু, শিলিখা, চিচু , সোঁৱালু, সাঁচি, সোণাৰু, হেলচ, হলখ, হোলোং আদি। অন্যহাতেদি, লতাজাতীয় উদ্ভিদসমূহেও পবাক সমৃদ্ধিশালী কৰি ৰাখিছে। যিসমূহৰ ভিতৰত টিকনি বৰুৱা, ভেদাইলতা, জেতুলিপকা, কাঠআলু, কণীবিহ, কাউৰীমণি, মাধৈমালতী, বেলিপকা, বনকেৰেলা, কপৌঢেকীয়া, প্ৰেমলতা, বনজালুক, আঙনি পান, আকাশীলতা, টেঙৰীলতা, নলটেঙা, গুলজলতা, ভীমৰাজ, আমৈলতা, বগুৱাচালি, কপালফুটা লতা, তুবুকীলতা ইত্যাদি। পূৰ্বে উল্লেখ কৰা ধৰণে পবাৰ জলাহভূমিত ঢেকীয়া, কচু, বেত, বনকল, দল আদি উদ্ভিদসমূহো প্ৰচুৰ পৰিমাণে পোৱা যায়।

পবা পক্ষীকুলৰো আদৰ্শ বাসস্থান হিচাপে জনাজাত হৈ আহিছে। শেহতীয়াকৈ ঢকুৱাখনাৰ মেগামিক্স নেচাৰ ক্লাবে পবা বনাঞ্চলত গ্ৰহণ কৰা চৰাই পৰ্যবেক্ষণ কাৰ্যসূচীত পবাত বহুবোৰ চিনাকি আৰু অচিনাকি চৰাইৰ অস্তিত্বৰ সম্ভেদ পোৱা গৈছে। যিবোৰ হৈছে- ৰাঙীমূৰী শেন, মৌখাপ, হয়কলি, ভুৰুং বটা, ভীমৰাজ, হুদু, কুৰুৱা, কণামুচৰী, ৱাক চৰাই, টেটেৰা বগ, গোবগ, মাজুবগ বা পেটীয়া বগ, ইটাগুৰিয়া, বৰটোকোলা, ক'লা চিলনী, ৰঙা চিলনী, মাছৰোকা, হনুমন্ত, কঁঠালগুটীয়া মাছৰোকা, পখৰা মাছৰোকা, ডাউক, ঢেকৰ, বৰ হেটুলুকা, নীলা হেটুলুকা, মৰ চৰাই, যমডাকিনী, বসন্ত পক্ষী, কোকলোঙা, কঁঠালগুটীয়া বাঢ়ৈটোকা, পখৰা বাঢ়ৈটোকা, বালিঘোঁৰা, বালিমাহী, পখৰুৱা বালিমাহী, কেঁচুখোৱা, ফেঁচু, ৰাজচৰাই, বাওনা ফেঁচু, দিনকণা, কাউচৰাই, পাতিশগুণ, ছেটেচেটি, মৌপিয়া, কলডিলৰ মৌপিয়া, পাতমৃগী, টিপচি, গোবৰ খোচৰা, কাকৈশিৰা, ৰূপহী চৰাই, বাৰীসুন্দৰী,পঘুৰ্মা, হাইঠা, পাতিকপৌ, ঢিলাকপৌ, মনিকপৌ, চুতীয়া শালিকা, মইনা, কানকুৰীয়া, দহিকতৰা, সাতভনী, বুলবুলি, কুকুহা, উলকুকুৰা, খাটাকুকুৰা, সৰুকুকুহা, নলচিটিকী, কুৰুলী ফেঁচা, ভৰত পক্ষী, বৰভাটৌ, টিয়া ভাটৌ, মদনা ভাটৌ, আলাসী চিলনী, মকৰাখাটী, নাচনী, কলাখাটী, চেকচেকী, পাহাৰী চেকচেকী, পাতমাদৈ, সখিয়তী, কলীয়া চেকচেকী, বাওনা ফেঁচু, টেলটুপী, জংঘলী কেঁচুখোৱা, জীয়াঁখাটী, চন্দনা ভাটৌ, বতাহী (ডাঙৰ আৰু তীব্ৰবেগী), মাছুৱৈ চিলনী, সৰু কেতেকী, বিছাখাটী, গলমনিকা, নদীযোগ, কলীযোগ, টোকোৰা চৰাই, শ্যামা, সেউজ বুলবুলি, ভদৰকলী, ফেঁচুলুকা ইত্যাদি।

উল্লেখযোগ্য যে, প্ৰায় ১০,২২১ হেক্টৰ বনভূমিয়ে আগুৰি থকা পবা হৈছে জৈৱবৈচিত্ৰ্যতাৰ অনুপম ভঁৰাল। বহু দুষ্পাপ্য প্ৰাণী আৰু উদ্ভিদেৰে সমৃদ্ধ অৰণ্যখনি। এইসমূহৰ উৰ্ধত সমগ্ৰ জোনাইবাসীক ব্ৰহ্মপুত্ৰ আৰু চিয়াঙৰ প্ৰবল বান আৰু প্ৰচণ্ড খহনীয়াৰ পৰা সদায় নিৰাপত্তা দি আহিছে এই অৰণ্যখনে। ইমানবোৰ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি অহা এই অৰণ্যখনিক আজি বান-খহনীয়াৰ লগতে চোৰাং চিকাৰৰ দপদপনী আৰু বিভাগীয় কৰ্তৃপক্ষৰ অৱহেলাই গভীৰ অস্তিত্বৰ সংকটত পেলাইছে। সেয়েহে, অৰণ্যখনক ৰক্ষা কৰাৰ বিশেষ প্ৰয়োজন আহি পৰিছে। ইয়াৰ বাবে পবাক তাৎক্ষণিকভাৱে সংৰক্ষিত বনাঞ্চলৰ পৰা অভয়াৰণ্যৰ শাৰীলৈ উন্নীত কৰাটো আজি খুবেই প্ৰয়োজন হৈছে। যিটো বিষয়ৰ ওপৰত আজি সংশ্লিষ্ট বিভাগসমূহে কাৰ্যব্যৱস্থা হাতত লৈছে বুলি জানিব পৰা গৈছে। উল্লেখযোগ্য যে, পবাক সংৰক্ষিত বনাঞ্চলৰ পৰা অভয়াৰণ্যৰ শাৰীলৈ উন্নীতকৰণৰ এই কাৰ্যব্যৱস্থাৰ শুভাৰম্ভৰ মূলতে প্ৰকৃতিপ্ৰেমীসকলৰ লগতে জোনাই তথা ধেমাজিবাসী ৰাইজৰ কেইবা দশকজোৰা এক বৃহৎ দাবী জড়িত আছে। নেচাৰ্চ বেক'নৰ লগতে ধেমাজি আৰু ধেমাজিৰ বাহিৰৰো বিভিন্ন প্ৰকৃতিপ্ৰেমী সংগঠন আৰু লোকসকলে, সংবাদ মাধ্যম আৰু আকাশবাণী

কেন্দ্রসমূহেও এইক্ষেত্রত গ্রহণ কৰি অহা ইতিবাচক ভূমিকাসমূহক অতিকৈ প্ৰশংসনীয়। পবা জোনাইবাসীৰ আয়ুসৰেখা। পবা থাকিলেহে জোনাই থাকিব, লগতে জীয়াই থাকিব এখিনি মানুহৰ সপোন আৰু ভৱিষ্যত। এই পবাক কেন্দ্ৰ কৰি আজি ধেমাজি জিলাৰ পৰ্যটন উদ্যোগটোক আগবঢ়াই লৈ যাব পৰাও যথেষ্টখিনি থল আছে। যিটো কেৱল অৰণ্যখনৰ সুৰক্ষা, সংৰক্ষণ তথা দীৰ্ঘ জীৱনৰ ওপৰত নিৰ্ভৰ কৰিছে।

প্ৰতিখন অৰণ্যই হৈছে জৈৱ-বৈচিত্ৰ্যতাৰ অক্ষয় ভাণ্ডাৰ। অলেখ উদ্ভিদ প্ৰজাতি আৰু জীৱকূলেৰে সমৃদ্ধ পৃথিৱীৰ হৃদপিণ্ডসদৃশ এই বৰ্ষাৰণ্যসমূহক জীয়াই ৰখাৰ বাবে আমাৰ বহুখিনি কাম এতিয়াও কৰিবলৈ বাকি আছে। আমাৰ ক্ষেত্ৰভিত্তিক অধ্যয়নত ধৰা পৰা কেতবোৰ সমস্যাই এই অৰণ্য কেইখনিৰ অস্তিত্বলৈ ক্ৰমশঃ ভাবুকি কঢ়িয়াই আনিছে যেন আমাৰ বোধ হৈছে। ক্ৰমশঃ বৃদ্ধি পাই অহা নিৰ্বনিকৰণ, চোৰাং চিকাৰীৰ দপদপনিয়ে, বিভাগীয় কৰ্তৃপক্ষৰ অৱহেলাৰ লগতে কেতবোৰ প্ৰাকৃতিক দুৰ্যোগ যেনে, ভূমিস্খলন, বান আৰু গৰাখহনিয়া আদিয়ে এই বৰ্ষাৰণ্যসমূহলৈ প্ৰবল ভাবুকি কঢ়িয়াই আনিছে। সেয়েহে এইক্ষেত্ৰত আমাৰ শাসক পক্ষৰ লগতে প্ৰকৃতিপ্ৰেমীসকলে এই অৰণ্যসমূহক সুৰক্ষা আৰু নিৰাপত্তা হেতু হাত উজান দিয়াৰ সময় আহি পৰিছে। এইখিনিতে এটা কথা প্ৰণিধানযোগ্য যে, অসমৰ মাটিত থকা বৰ্ষাৰণ্যসমূহৰ লগতে ইয়াত থকা সম্পদসমূহৰ ওপৰত উচ্চ অধ্যয়ন আৰু গৱেষণা কৰাৰ হেতু যোৰহাটত স্থাপন কৰা "বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠান" (Rainforest Research Institute) ৰো যথেষ্ট খিনি কৰণীয় কাম আছে বুলি আমি ক'ব খোজোঁ। অৰণ্যভূমি আৰু ইয়াত উপলব্ধ উদ্ভিদ আৰু প্ৰাণীসমূহৰ তথা পৰিস্থিতিতন্ত্ৰ আৰু জৈৱ-বৈচিত্ৰ্যতাৰ ওপৰত চলোৱা অধ্যয়নতেই তেওঁলোক সীমাবদ্ধ নাথাকি বৰ্ষাৰণ্যসমূহৰ দীৰ্ঘস্থায়ীত্ব তথা সুৰক্ষাৰ হেতু কেতবোৰ কাম হাতত ল'বলৈও এই প্ৰতিষ্ঠানটিক বিশেষভাৱে আহ্বান জনাইছোঁ।

অন্যহাতেদি অসমৰ মাটিত উপলব্ধ এই বিশেষ শ্ৰেণীৰ অৰণ্যভূমিক ৰক্ষা কৰাৰ বাবে অহৰ্নিশে অহোপুৰুষাৰ্থ চেষ্টা চলাই থকা অৰাজনৈতিক সংগঠনসমূহৰ লগতে প্ৰকৃতিপ্ৰেমীসকলৰ আমি শলাগ ল'বই লাগিব। যিসকলৰ সামূহিক প্ৰচেষ্টা, চৰকাৰৰ ওচৰত আবেদন-নিবেদন, বিভিন্ন গ্ৰন্থ, পুস্তিকা, প্ৰবন্ধ-পাতি আদি লিখি জনসচেতনতা বৃদ্ধিৰ স্বাৰ্থত এক আন্দোলন গঢ়ি তুলিবলৈ সক্ষম হৈছে। এইসকল ব্যক্তিৰ প্ৰচেষ্টাতেই ইতিমধ্যে কেইবাখনো বৰ্ষাৰণ্যত "বৰ্ষাৰণ্য মহোৎসৱ" আয়োজন কৰা হৈছে। এই মহোৎসৱসমূহৰ জৰিয়তে বৰ্ষৰণ্যসমূহক উপযুক্ত সুৰক্ষা দিয়াৰ লগতে এইসমূহক সদায় জীয়াই ৰখোৱাৰ স্বাৰ্থত বহুবোৰ কাম হাতত লোৱা হৈছে। এনেবোৰ যোগাত্মক চিন্তা আৰু কৰ্মসূচীবোৰ নিশ্চিতকৈ আমাৰ বাবে অতি সুখবৰ। অকল বৰ্ষাৰণ্য বুলিয়েই নহয় আমি সকলোৱে আমাৰ চৌপাশত থকা অৰণ্যভূমিক যিকোনো বস্তুৰ বিনিময়ত যেনেকৈ নহ'লেও সংৰক্ষণ কৰিবই লাগিব। কিয়নো বৃহঙ্গম দৃষ্টিৰে চাবলৈ গ'লে এই অৰণ্যৰ বুকুতেই জীয়াই আছিল আমাৰ বহু হাজাৰ বছৰীয়া মানৱ সভ্যতাৰ ইতিহাস আৰু এই অৰণ্যৰ বুকুতেই সদায় জীয়াই থাকিব পৰিৱৰ্তিত সুসভ্য মানৱ সভ্যতাৰ ভৱিষ্যতৰ ইতিহাস। এখন অৰণ্যৰ মৃত্যু মানেই বহু জীৱন বিপন্ন আৰু ধ্বংস।